29T LOPH

# 2019

# LOGIC AND PHILOSOPHY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×12 = 12 |
| *Q. No. 2 – 13 carries 2 marks each* | 2×12 = 24 |
| *Q. No. 14 – 23 carries 4 marks each* | 4×10 = 40 |
| *Q. No. 24 – 27 carries 6 marks each* | 6×4 = 24 |
| | Total = 100 |

*Contd.*

1. (a) What is the main subject matter of Logic? 1

তৰ্কবিজ্ঞানৰ মূল আলোচ্য বিষয় কি?

(b) Is the conclusion of Unscientific Induction certain? 1

অবৈজ্ঞানিক আগমনৰ সিদ্ধান্ত নিশ্চিত স্বভাৱৰ হয় নে?

(c) Is there 'inductive leap' in Perfect Induction? 1

পূৰ্ণ আগমনত 'আগমন জাপ' আছেনে?

(d) The Paradox of Induction is connected with the Principle of the Uniformity of Nature. Is it true? 1

আগমনৰ বিৰোধাভাস প্ৰকৃতিৰ একৰূপতা নীতিৰ লগত সংযুক্ত। কথাটো শুদ্ধনে?

(e) Which is the first stage of hypothesis suggested by Mill's definition of hypothesis? 1

মিলৰ প্ৰকল্পৰ সংজ্ঞা অনুসৰি প্ৰকল্পৰ প্ৰথম স্তৰটো কি?

(f) What is the meaning of 'vera causa'? 1

বাস্তৱ কাৰণৰ অৰ্থ কি?

(g) What is the exact object of moral judgement? 1

নৈতিক বিচাৰৰ প্ৰকৃত বিষয়বস্তু কি?

(h) Name the theory which states that the external world can be directly known. 1

বাহ্যজগতখন প্ৰত্যক্ষভাৱে জানিব পৰা যায় বুলি ভবা মতবাদটোৰ নাম কি?

(i) Is the conclusion of Method of Agreement certain? 1

অন্বয়ী প্ৰণালীৰ সিদ্ধান্ত নিশ্চিত নে?

(j) Ethics is a positive science. Is it true? 1

নীতিশাস্ত্ৰ বিষয়নিষ্ঠ বিজ্ঞান। কথাটো শুদ্ধনে?



(k) From which Sanskrit root the word 'Dharma' is derived? 1

'ধৰ্ম' শব্দটো কি সংস্কৃত ধাতুৰ পৰা উদ্ভৱ হৈছে?

(l) Which principle of elimination forms the basis of Method of Agreement? 1

অপসৰণৰ কোনটো সূত্ৰৰ ওপৰত অন্বয়ী প্ৰণালী প্ৰতিষ্ঠিত?

2. State *two* points of differences between deduction and induction. 2

নিগমন আৰু আগমনৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

3. Why the law of causation is called the formal ground of induction? 2

কাৰ্য-কাৰণ বিধিক কিয় আগমনৰ আকাৰগত ভিত্তি বোলা হয়?

4. Define Scientific Induction. 2

বৈজ্ঞানিক আগমনৰ সংজ্ঞা দিয়া।

5. State *any two* qualitative marks of causation. 2

কাৰণৰ *যিকোনো দুটা* গুণগত লক্ষণ উল্লেখ কৰা।

*Or / নাইবা*

Define conjunction of causes with an example. 2

এটা উদাহৰণসহ কাৰণ সমন্বয়ৰ সংজ্ঞা দিয়া।

6. How many types of verification are there in a hypothesis and what are these? 2

প্ৰকল্পৰ প্ৰমাণীকৰণ কেই প্ৰকাৰৰ আৰু কি কি?

*Or / নাইবা*

What do you mean by analogical hypothesis? 2

সাদৃশ্যমূলক প্ৰকল্প বুলিলে কি বুজা?

7. Write *two* criticisms of Naive Realism. 2

সৰল বাস্তৱবাদৰ *দুটা* সমালোচনা আগবঢ়োৱা।

8. Give a definition of Idealism in your own words. 2

তোমাৰ নিজৰ ভাষাৰে ভাৱবাদৰ এটা সংজ্ঞা দিয়া।

9. Distinguish between fallacy of non-observation and fallacy of mal-observation. 2

অনবেক্ষণ আৰু ভ্ৰান্ত পৰ্যবেক্ষণ দোষৰ মাজত থকা পাৰ্থক্য নিৰ্ণয় কৰা।

10. Write *two* advantages of observation as the material ground of Induction. 1+1=2

আগমনৰ বস্তুগত ভিত্তি হিচাপে নিৰীক্ষণৰ *দুটা* সুবিধা লিখা।

11. Why the Idealism of Leibnitz is called Pluralistic Idealism? 2

লাইব্নিজৰ ভাৱবাদক কিয় বহুত্ববাদী ভাৱবাদ বোলা হয়?

12. Define negative condition with the help of a suitable example. 1+1=2

উপযুক্ত উদাহৰণৰ সহায়ত প্ৰতিকূল বা নঞৰ্থক উপকাৰণৰ সংজ্ঞা দিয়া।

13. Write the name of *one* primary and *one* secondary quality of an object. 1+1=2

বস্তুৰ *এটা* মুখ্য আৰু *এটা* গৌণ গুণৰ নাম লিখা।

14. State the qualitative marks of a cause. 4

এটা কাৰণৰ গুণগত লক্ষণ কেইটা উল্লেখ কৰা।

*Or / নাইবা*

What do you mean by plurality of causes? Why plurality of cause is not scientifically acceptable? 2+2=4

বহুকাৰণবাদ বা নানাকাৰণবাদ বুলিলে কি বুজা? বহুকাৰণবাদ কিয় বিজ্ঞানসন্মত নহয়?



15. Do you support Naive Realism? Give reasons in support of your view. 1+3=4

সৰল বাস্তৱবাদ সমৰ্থন কৰানে? তোমাৰ মতৰ সমৰ্থনত যুক্তি প্ৰদান কৰা।

16. What is 'Crucial Instance'? Explain. 4

'নিৰ্ণায়ক দৃষ্টান্ত' কি? ব্যাখ্যা কৰা।

17. State *two* advantages and *two* disadvantages of the Method of difference. 2+2=4

ব্যতিৰেকী প্ৰণালীৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা উল্লেখ কৰা।

*Or / নাইবা*

Write *two* advantages and *two* disadvantages of the Method of Agreement. 2+2=4

অন্বয়ী পদ্ধতিৰ *দুটা* সুবিধা আৰু *দুটা* অসুবিধা লিখা।

18. Briefly express *any four* characteristics of Scientific Realism. 4

বৈজ্ঞানিক বাস্তৱবাদৰ *যিকোনো চাৰিটা* বৈশিষ্ট্য চমুকৈ প্ৰকাশ কৰা।

19. Name the philosopher who made the statement 'Esse Est Percipi'. Explain the meaning of the statement. 1+3=4

'প্ৰত্যক্ষতে বস্তু বিদ্যমান' — এই উক্তিটোৰ লগত জড়িত দাৰ্শনিকজনৰ নাম লিখা। উক্তিটোৰ অৰ্থ ব্যাখ্যা কৰা।

*Or / নাইবা*

Do you think that Hegel's idealism tries to reconcile idealism and realism? Explain. 4

হেগেলৰ ভাৱবাদে বাস্তৱবাদ আৰু ভাৱবাদৰ সমন্বয় সাধন কৰিবলৈ চেষ্টা কৰিছে বুলি তুমি ভাবানে? বুজাই লিখা।

20. Explain briefly the Dharma and Artha as Purusārthas. 2+2=4

পুৰুষাৰ্থ হিচাপে ধৰ্ম আৰু অৰ্থ চমুকৈ ব্যাখ্যা কৰা।

*Or / নাইবা*

State *four* important aspects with which Ethics deals.

নীতিশাস্ত্রত আলোচিত হোৱা *চাৰিটা* গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনা কৰা।

21. Write a note on Plato's Idealism.

প্লেটোৰ ভাৱবাদৰ ওপৰত এটি টোকা লিখা।

22. Write briefly the nature of religion.

ধৰ্মৰ স্বৰূপ সম্পৰ্কে চমুকৈ লিখা।

23. Briefly explain the *four* stages of hypothesis.

প্ৰকল্পৰ *চাৰিটা* স্তৰৰ চমু উল্লেখ কৰা।

24. State *any three* similarities and *any three* dissimilarities betwee Unscientific Induction and Analogy. 3+3=

অবৈজ্ঞানিক আগমন আৰু সাদৃশ্যমূলক অনুমানৰ মাজত থকা *যিকোনো তিনিটা* সাদৃ আৰু *তিনিটা* বৈসাদৃশ্য উল্লেখ কৰা।

*Or / নাইবা*

Define Unscientific Induction and state its main characteristics. 1+5=

অবৈজ্ঞানিক আগমনৰ সংজ্ঞা দিয়া আৰু ইয়াৰ মূল বৈশিষ্ট্য সমূহ উল্লেখ কৰা।

25. Define the Joint Method of Agreement and Difference with concret example. State *two* advantages and *two* disadvantages of thi method. 2+2+2=

বাস্তৱ উদাহৰণেৰে সৈতে মিশ্ৰ অন্বয়ী ব্যতিৰেকী প্ৰণালীৰ সংজ্ঞা দিয়া। এই প্ৰণালীৰ দু সুবিধা আৰু *দুটা* অসুবিধা উল্লেখ কৰা।

*Or / নাইবা*

Explain the Method of Residues with examples.

উদাহৰণসহ পৰিশেষ প্ৰণালীৰ ব্যাখ্যা কৰা।



26. Explain Aristotle's view on causation. 6

কাৰণ সম্পৰ্কে এৰিষ্টট'লৰ ধাৰণা ব্যাখ্যা কৰা।

*Or / নাইবা*

Explain the Law of Causation as one of the formal grounds of Induction. 6

আগমনৰ এক আকাৰগত ভিত্তি হিচাবে কাৰ্য্যকাৰণ বিধি ব্যাখ্যা কৰা।

27. "Religion and Morality are mutually dependable" — Discuss it. 6

"ধৰ্ম আৰু নীতি পৰস্পৰ নিৰ্ভৰশীল" — আলোচনা কৰা।

*Or / নাইবা*

What do you mean by Religion? Which is the most acceptable definition of Religion? Explain *two* characteristics of Religion. 2+2+2=6

ধৰ্ম বুলিলে কি বুজা ? ধৰ্মৰ আটাইতকৈ সন্তোষজনক সংজ্ঞা কোনটো ? ধৰ্মৰ *দুটা* বৈশিষ্ট্য বুজাই লিখা।

——— × ———